# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-05-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১।  তৃতীয় পৰ্যায়ৰ চাৰিটা সমষ্টিৰ লোকসভা নিৰ্বাচনৰ বাবে ভিন ভিন ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।
২।  নিৰ্বাচন আয়োগৰ লোকসভা নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ বাবে ভোটদানৰ হাৰ প্ৰকাশ।
৩।  বিশ্বৰ আন বিভিন্ন স্থানৰ লগতে অসমতো আজি মে' দিৱস পালন।
৪।  অসমকে ধৰি উত্তৰ-পূবৰ ৭ খন ৰাজ্যত পৰৱৰ্তী ৪ দিনত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ আৰু তুষাৰপাতৰ সম্ভাৱনা।

*আৰু*

৫।  আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

দেশৰ আন বিভিন্ন স্থানৰ লগতে অসমতো লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰস্তুতিয়ে ক্ৰমাৎ তীব্ৰতা লাভ কৰিছে। এইটো পৰ্যায়ত অহা ৭ মে'ত ৰাজ্যৰ চাৰিটা সমষ্টি গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত ভোটগ্ৰহণ কৰা হ'ব। এই চাৰিটা সমষ্টিত বৰ্তমান বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলৰ লগতে নেতা-কৰ্মীসকলে প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন আকৰ্ষণৰ চেষ্টা কৰিছে।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি আৰু মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ ঠায়ে ঠায়ে প্ৰচাৰ চলাব। আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও আজি কামৰূপ জিলাৰ বকো আৰু ছয়গাঁৱত গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। অসম গণ পৰিষদৰ সভাপতি অতুল বৰাইও আজি এন ডি প্ৰাৰ্থীসকলৰ হকে ভিন ভিন স্থানত প্ৰচাৰ চলাব।

ইপিনে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই আজি ধুবুৰী লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিব। আনহাতে, ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে আজি গুৱাহাটী লোকসভা সমষ্টিৰ কংগ্ৰেছ আৰু বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ হৈ গুৱাহাটীত প্ৰচাৰ চলাব।

তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত ছগৰাকী মহিলাকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত মুঠ ৮১ লাখ ৪৯ হাজাৰ ৯১ গৰাকী ভোটদাতাই ভোটদান কৰাৰ সুযোগ লাভ কৰিব। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ৯ হাজাৰ ৫১৬টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে।

ভোটদানৰ হাৰ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে গ্ৰহণ কৰা ব্যৱস্থাৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন সমষ্টিত ভোটদাতাক আকৰ্ষণ কৰাৰ উদ্দেশ্যে আদৰ্শ ভোটকেন্দ্ৰ স্থাপনকে ধৰি ভালেমান পদক্ষেপ লোৱা হৈছে। অহা ৭ মে'ত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে গোৱালপাৰাত ৪০টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালনাৰ ব্যৱস্থা গ্ৰহণ কৰা

হৈছে। এনে ভোটকেন্দ্ৰসমূহত ভোটগ্ৰহণ তথা নিৰাপত্তাৰ দায়িত্ব ল'বলগীয়া মহিলা বিষয়া-কৰ্মচাৰীসকলৰ থকা-খোৱা আদিকে ধৰি সকলো ক্ষেত্ৰতে প্ৰয়োজনীয় সা-সুবিধা নিশ্চিত কৰাৰ উদ্দেশ্যে জিলাখনৰ আয়ুক্তগৰাকীয়ে কালি এখন পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। জিলাখনৰ সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকলক এনে ভোটকেন্দ্ৰসমূহলৈ গৈ উপযুক্ত আন্তঃগাঁথনিৰ ব্যৱস্থা কৰিবলৈ জিলা নিৰ্বাচন বিষয়া খনীন্দ্ৰ চৌধুৰীয়ে কালিৰ সভাত নিৰ্দেশ দিয়ে।

এই পৰ্যায়ত সামৰি ল'বলগীয়া চাৰিটা সংসদীয় সমষ্টিৰ ভিতৰত গুৱাহাটীত বিজেপি আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। বিজেপিয়ে প্ৰাক্তন উপ-মেয়ৰ বিজুলী কলিতা মেধিক প্ৰাৰ্থী হিচাপে থিয় কৰাইছে। কংগ্ৰেছে সমষ্টিটোৰ পৰা মীৰা বৰঠাকুৰ গোস্বামীক প্ৰক্ষেপ কৰিছে। ইপিনে, ধুবুৰী সমষ্টিত এ-আই-ইউ-ডি-এফৰ মুৰব্বী তথা বৰ্তমানৰ সাংসদ বদৰুদ্দিন আজমলৰ বিৰুদ্ধে কংগ্ৰেছৰ ৰকিবুল হুছেইন নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। সমষ্টিটোত এন ডি এই অসম গণ পৰিষদৰ জাভেদ ইছলামক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। এই পৰ্যায়ৰ বাকী দুটা সমষ্টি বৰপেটা আৰু কোকৰাঝাৰত তিনিকোণীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী, দুধনৈ আৰু চমৰীয়াকে ধৰি বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ কাৰ্যত অংশগ্ৰহণ কৰে। ইপিনে অৰুণাচল প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নাবাম টুকীয়ে কালি গুৱাহাটীৰ লালমাটিত ভাৰতীয় জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীৰ হৈ প্ৰচাৰ চলায়।

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা সৰ্বানন্দ সোণোৱালে বাক্সাৰ থমনাত কালি কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰ চলায়। ইপিনে, সমষ্টিটোৰ বি পি এফৰ প্ৰাৰ্থী খাম্ফা বৰগয়াৰীয়েও কালি বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ কালি বাক্সাৰ কলবাৰীত বি টি আৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলায়।

oooooooo

দেশত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি মহাৰাষ্ট্ৰৰ লাটুৰত এখন নিৰ্বাচনী সভা সম্বোধন কৰে। শ্ৰীমোডীয়ে তেওঁৰ ভাষণত দেশৰ প্ৰগতি আৰু সুৰক্ষাৰ বাবে সুস্থিৰ আৰু শক্তিশালী নেতৃত্বৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। কংগ্ৰেছ দলক সমালোচনা কৰি শ্ৰীমোদীয়ে কয় যে দলটোৱে বৰ্তমান প্ৰজন্মৰ বাবেই নহয়, বৰং ভৱিষ্যতৰ বাবেও জনসাধাৰণৰ সম্পত্তি হৰলুকি কৰাৰ পৰিকল্পনা কৰিছে বুলি অভিযোগ তোলে। যান-বাহন নিৰ্মাণ, প্ৰতিৰক্ষাৰ দৰে বিভিন্ন ক্ষেত্ৰত হোৱা প্ৰগতিৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে ২০১৪ চনৰ পূৰ্বৰ আৰু পৰৱৰ্তী বিকাশৰ গতি তুলনা কৰে।

শ্ৰীমোডীয়ে আজি গুজৰাটত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ কথা আছে। প্ৰধানমন্ত্ৰীয়ে আজি বিয়লি উত্তৰ গুজৰাটৰ বানাছকাণ্ঠা জিলাৰ ৰাৰ আৰু চাবৰকাণ্ঠা জিলাৰ হিম্মত নগৰত জনসভাক সম্বোধন কৰিব। শ্ৰীমোডীয়ে কাইলৈ আনন্দ, সুৰেন্দ্ৰনগৰ, জুনাগড় আৰু জামনগৰ চহৰত আয়োজিত নিৰ্বাচনী সমাবেশত ভাষণ দিব। সমগ্ৰ গুজৰাটতে তৃতীয় পৰ্যায়ত অহা ৭ মে'ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

oooooo

নিৰ্বাচন আয়োগে কালি লোকসভা নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ বাবে মুঠ ভোটদানৰ হাৰ জাৰি কৰিছে। আয়োগে প্ৰথম পৰ্যায়ত ৬৬ দশমিক ১-৪ শতাংশ আৰু দ্বিতীয় পৰ্যায়ত ৬৬ দশমিক ৭-১ শতাংশ ভোটদান হোৱা বুলি প্ৰকাশ কৰিছে। আয়োগে কৈছে যে প্ৰথম পৰ্যায়ত ৬৬ দশমিক ২-২ শতাংশ পুৰুষ ভোটদাতা, ৬৬ দশমিক ০-৭ শতাংশ মহিলা ভোটদাতা আৰু ৩১ দশমিক ৩-২ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত

কৰিছে। একেদৰে দ্বিতীয় পৰ্যায়ত ৬৬ দশমিক ৯-৯ শতাংশ পুৰুষ ভোটদাতা, ৬৬ দশমিক ৪-২ শতাংশ মহিলা ভোটদাতা আৰু ২৩ দশমিক ৮-৬ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

০০০০০০

কংগ্ৰেছে লোকসভা নিৰ্বাচনৰ বাবে চাৰিগৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে। দলে অভিনয় জগতৰ পৰা ৰাজনীতিত খোজ দিয়া ৰাজ বাববৰক হাৰিয়ানাৰ গুৰগাঁও আসনৰ পৰা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আনন্দ শৰ্মাক হিমাচল প্ৰদেশৰ কাংগ্ৰাৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। একেদৰে ছটপাল ৰায়জাদা হিমাচল প্ৰদেশৰ হামিৰপুৰৰ পৰা আৰু ভূষণ পাটিলক মহাৰাষ্ট্ৰৰ মুম্বাই উত্তৰ সংসদীয় সমষ্টিৰ পৰা দলীয় টিকট প্ৰদান কৰা হৈছে। কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে কালি প্ৰাৰ্থীকেইগৰাকীৰ নাম চূড়ান্ত কৰে।

০০০০০

বিশ্বৰ আন বিভিন্ন স্থানৰ লগতে অসমতো আজিৰ দিনটো মে' দিৱস পালন কৰা হৈছে। ১৮৮৬ চনৰ আজিৰ দিনটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত অনুষ্ঠিত শান্তিপূৰ্ণ শ্ৰমিক সমাবেশত ৰাষ্ট্ৰশক্তিয়ে নিৰ্বিচাৰে গুলীচালনা কৰাৰ ফলত বহুসংখ্যক শ্ৰমিক হতাহত হোৱা ঘটনাৰ স্মৃতিচাৰণৰ উদ্দেশ্যে বিশ্বজুৰি আজিৰ দিনটো আন্তৰ্জাতিক শ্ৰমিক দিৱস হিচাপে পালন কৰা হৈ আহিছে। শ্ৰমিকসকলৰ কামৰ সময় আৰু মজুৰি নিৰ্ধাৰণৰ দাবীৰে চিকাগো চহৰত আয়োজিত সমাবেশখনক বিফল কৰাৰ লক্ষ্যৰে মালিক পক্ষৰ হকে স্থিতি গ্ৰহণ কৰি চৰকাৰে লোৱা এই শ্ৰমিক বিৰোধী ভূমিকাৰ প্ৰতিবাদত তথা সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হয়।

উল্লেখযোগ্য যে এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - **জলবায়ু পৰিৱৰ্তনৰ মাজত কৰ্মক্ষেত্ৰৰ সুৰক্ষা আৰু শ্ৰমিকৰ স্বাস্থ্য সুনিশ্চিত কৰা**। এই বিষয়বস্তুৰ জৰিয়তে শ্ৰমিকসকলৰ সুস্বাস্থ্য তথা নিৰাপত্তাৰ বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

০০০০০০০০

সমগ্ৰ দেশ গ্ৰীষ্ম প্ৰৱাহত দহিছে বুলি এটা বিবৃতিৰ জৰিয়তে দেশৰ বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। গ্ৰীষ্ম প্ৰৱাহ চলি থকাৰ সময়তে অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাত পৰৱৰ্তী ৪ দিনত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ আৰু তুষাৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে। ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই পশ্চিমবংগ, বিহাৰ, ওড়িশা আৰু ঝাৰখণ্ডত প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহ অব্যাহত থাকিব পাৰে বুলি বিশেষ সতৰ্কতা জাৰি কৰিছে। তেলেংগানা, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ, কেৰালা, তামিলনাডু আৰু পুডুচেৰীতো অহা ৪ দিনলৈ বতৰ গৰম আৰু আৰ্দ্ৰ হৈ থাকিব পাৰে বুলি বিভাগটোৱে আগলি বতৰা দিছে। অৱশ্যে এই সময়ছোৱাত মধ্য ভাৰতত তাপমাত্ৰা ২ৰ পৰা ৩ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

০০০০০০০০

হেমকোষ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি আজি গুৱাহাটী বিশ্ববিদ্যালয়ত থকা প্ৰতিমূৰ্তিস্থলীত ভাষাৰ ওজাগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। আনহাতে, উজান বজাৰত আয়োজিত এটা অনুষ্ঠানত হেমচন্দ্ৰ বৰুৱা ন্যাসৰ হৈ 'ওজা হেমচন্দ্ৰ বৰুৱা সাহিত্য সাধনা বঁটা' আৰু 'হেমকোষ প্ৰাণ দেৱানন্দ বৰুৱা সমাজ সাধনা বঁটা' আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে সাহিত্য আৰু সমাজৰ বাবে বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তি বা প্ৰতিষ্ঠানলৈ ন্যাসে দুবছৰৰ মূৰে মূৰে এই বঁটা আগবঢ়াই আহিছে।

০০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান অহা ১০ আৰু ১১ মে'ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। কালি অনুষ্ঠিত এখন সংবাদমেলত মহাৰজত জয়ন্তী উদযাপন সমিতিৰ তৰফৰ পৰা এই কথা অৱগত কৰে। এই মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ৰ

অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক শৈলেন ভড়ালীক মহাৰজত জয়ন্তী সন্মান প্ৰদান কৰা হ'ব। ইয়াৰ সমান্তৰালকৈ অধ্যাপক নগেন ঠাকুৰক মহাৰজত ভাষা বঁটা আৰু অধ্যাপক নাৰায়ণ দাসক মহাৰজত সাহিত্য বঁটা প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

oooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৪৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু দুটা বলত ছটা উইকেট হেৰুৱাই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হয়। লক্ষ্ণৌৰ হৈ মাৰ্কাছ ষ্টʼয়নিছে ৪৫টা বলত ৬২ ৰাণ কৰে। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৭টা উইকেটৰ বিনিময় ১৪৪ ৰাণ কৰে। মুম্বাইৰ হৈ নেহাল ৱধেৰাই ৪১টা বলত ৪৬ ৰাণ কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মোহছিন খানে দুটা উইকেট দখল কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ কালিৰ জয়ৰ পাছত প্ৰতিযোগিতাৰ পইণ্ট তালিকাত পঞ্চমৰ পৰা তৃতীয় স্থানলৈ উন্নীত হৈছে। মুম্বাই ইণ্ডিয়ানছ বৰ্তমান নৱম স্থানত আছে।

oooooooo

ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি চিলেট আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ঘৰুৱা দল বাংলাদেশক ডাক-ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ১৯ ৰাণত পৰাস্ত কৰে। খেলখনত বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে পাঁচ অভাৰ আৰু দুটা বলত এটা উইকেট হেৰুৱাই ৪৫ ৰাণ কৰা অৱস্থাত বৰষুণে খেলখনত বিধিপথালি দিয়ে। ফলত খেলখন স্থগিত ৰাখিবলগীয়া হয়। খেল পুনৰ আৰম্ভ কৰাৰ বাবে এঘণ্টাৰো অধিক সময়ৰ অপেক্ষাৰ অন্তত আম্পায়াৰে ভাৰতীয় দলে ডাৰ্ক-ৱৰ্থ লুইছ পদ্ধতিৰে ১৯ ৰাণত জয়লাভ কৰা বুলি ঘোষণা কৰে।

oooooooo

সুৰা নীতি কেলেংকাৰীৰ গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক লোকসভা নিৰ্বাচনৰ আগতহে কিয় গ্ৰেপ্তাৰ কৰা হ'ল বুলি উচ্চতম ন্যায়ালয়ে বিধি বলৱৎকাৰী সঞ্চালকালয়ক প্ৰশ্ন কৰাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমত সংঘটিত ভুৱা এনকাউন্টাৰৰ বিৰুদ্ধে তদন্ত বিচাৰি দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিত উচ্চতম ন্যায়ালয়ে এক নিৰপেক্ষ তদন্তৰ ইংগিত প্ৰদানৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দুটা পৰ্যায়ত হোৱা দেশৰ ১৯০ টা লোকসভা সমষ্টিৰ নিৰ্বাচনত মুঠ ৬৬ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন আয়োগে আগবঢ়োৱা তথ্যৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ভাষণৰ ভুৱা ভিডিঅ' ভাইৰেলৰ গোচৰ সন্দৰ্ভত দিল্লী আৰক্ষীৰ IFSOএ ৮ খন ৰাজ্যৰ ১৬জন লোকলৈ চমন জাৰি কৰাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ক'ৰোনাৰ প্ৰতিষেধক কোভিশ্বিল্ডৰ কেইবাটাও পাৰ্শ্বক্ৰিয়াৰ কথা প্ৰতিষেধক উৎপাদনকাৰী প্ৰতিষ্ঠান এষ্ট্ৰাজেনেকাই ব্ৰিটেইনৰ এখন আদালতত প্ৰকাশ কৰাৰ বাতৰিক **অসমীয়া খবৰ, দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ম্যানমাৰৰ সাম্প্ৰতিক পৰিস্থিতিয়ে দিল্লী আৰু ঢাকাৰ বাবে নিৰাপত্তাজনিত চিন্তাৰ সৃষ্টি কৰা বুলি বাংলাদেশৰ উচ্চায়ুক্তই প্ৰকাশ কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰতীয় নৌসেনা বাহিনীৰ ২৬ সংখ্যক মুৰব্বী হিচাপে এডমিৰেল দীনেশ কে ত্ৰিপাঠীয়ে দায়িত্বভাৰ গ্ৰহণ কৰাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটী মহানগৰীৰ ভূমিৰ সমস্যা সমাধানৰ বাবে অচিৰেই মিছন বসুন্ধৰা আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন নিৰ্বাচনী সভাত প্ৰকাশ কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে–

ছত্তীশগড়ত সেনাৰ সৈতে হোৱা সংঘৰ্ষত ১০ মাওবাদী কেডাৰ নিহত, সাংসদ স্থানীয় এলেকা উন্নয়ন পুঁজি কেলেংকাৰীৰ মূল অভিযুক্ত সুকন্যা বৰাৰ জামিন মঞ্জুৰ আদি।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত বাতৰিত চমু অৱলোকন।

**সমাপ্ত**